**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-06-2025 **Time :** 0705 Hrs.

## *Assamese Morn. Bulletin*
## *HEADLINES*

১। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই দেশৰ সামগ্ৰিক বিকাশত যুৱ প্ৰজন্মই আগবঢ়োৱা অৱদানৰ প্ৰশংসা কৰিছে।

২। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে দেশত নদীসমূহৰ পুনৰুজ্জীৱিতকৰণেৰে এটা সেউজ আন্তঃগাঁথনি সৃষ্টি কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে দেশৰ সীমান্ত অঞ্চলসমূহত পাকিস্তানৰ গোলাবৰ্ষণত ক্ষতিগ্ৰস্ত বাসগৃহসমূহৰ বাবে অতিৰিক্ত পুঁজি মুকলি কৰা হ'ব বুলি ঘোষণা কৰিছে।

৪। ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাক মহাকাশলৈ কঢ়িয়াই নিব লগা AXIOM-4 অভিযান বেয়া বতৰৰ পৰিপ্ৰেক্ষিতত সাময়িকভাৱে পিছুৱাই দিয়া হৈছে।

আৰু

৫। ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনীক ICC HALL OF FAME-ত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

বিভিন্ন ক্ষেত্ৰত হোৱা উল্লেখনীয় অগ্ৰগতিৰে ভাৰত উদীয়মান গোলকীয় নেতৃত্ব ৰূপে পৰিগণিত হৈছে। "যুৱ প্ৰতিভাৰ শক্তি আৰু প্ৰযুক্তিৰ উদ্ভাৱনৰ জৰিয়তে সমসাময়িক প্ৰত্যাহ্বান " শীৰ্ষক এটা অনুষ্ঠানত অংশগ্ৰহন কৰি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এইদৰে কয়। ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, যোধপুৰত হোৱা এই অনুষ্ঠানত অংশগ্ৰহন কৰি শ্ৰী বিৰলাই সামাজিক, অৰ্থনৈতিক আৰু প্ৰযুক্তিগত দিশত যুৱ প্ৰজন্মই আগবঢ়োৱা অৱদানৰ বাবে প্ৰশংসা কৰে।ৰাষ্ট্ৰৰ প্ৰগতিৰ দিশটোত গুৰুত্ব প্ৰদান কৰি প্ৰযুক্তিৰ বিকাশত কাম কৰি যাবলৈ শ্ৰী বিৰলাই যুৱ প্ৰজন্মক আহ্বান জনায়। বৰ্তমান যুৱপ্ৰজন্ম কৰ্মসন্ধানী হোৱাতকৈ কৰ্ম সংস্থাপক হৈছে আৰু এইক্ষেত্ৰত ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলিও শ্ৰী বিৰলাই কয়। তেওঁ কয়, যে এনে প্ৰতিষ্ঠানসমূহৰ পৰা উত্তীৰ্ণ স্নাতকসকলে দেশৰ ষ্টাৰ্টআপ পৰিৱেশতন্ত্ৰ আৰু অৰ্থনৈতিক উন্নয়নত বিশেষ ভূমিকা গ্ৰহন কৰিছে। শ্ৰী বিৰলাই লগতে কয় , যে দক্ষ আৰু উদ্ভাৱক ভাৰতীয় যুৱপ্ৰজন্মই তেওঁলোকৰ ক্ৰমবৰ্দ্ধিত প্ৰভাৱৰ সাক্ষ্য বহন কৰিছে আৰু তেওঁলোকক "বিকশিত ভাৰত"ৰ যাত্ৰাত সক্ৰিয় অংশীদাৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত উৎসাহিত কৰিছে। অধ্যক্ষ শ্ৰী বিৰলাই তেওঁৰ এই ভ্ৰমণ কালত প্ৰতিষ্ঠানখনত এটা প্ৰেক্ষাগৃহ উন্মোচন কৰে। শ্ৰী বিৰলাই ভাৰতৰ চহকী আধ্যাত্মিক ঐতিহ্যৰ সৈতে সংহত আধুনিক বৈজ্ঞানিক অগ্ৰগতিত গুৰুত্ব প্ৰদান কৰে। ইয়াৰ ফলত নৈতিক, সৰ্বাত্মক আৰু বহনক্ষম বিকাশ সম্ভৱ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে পুতলা নিৰ্মাণৰ পৰা প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণলৈ বিভিন্ন ক্ষেত্ৰত ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ বিষয়তো আলোকপাত কৰে। "আত্মনিৰ্ভৰ ভাৰত" নিৰ্মাণৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ভাৰতৰ ডিজিটেল পৰিৱেশতন্ত্ৰই ইন্ধন যোগাব বুলিও শ্ৰী বিৰলাই মত প্ৰকাশ কৰে।

০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। আজি পৰিৱেশ সংৰক্ষণ আৰু উন্নয়নৰ বিষয়ত আলোকপাত কৰা হৈছে।

বিগত দশকটোত ভাৰতে সংহত পৰিৱেশৰ সৈতে জড়িত সংৰক্ষণৰ দ্বাৰা সৰ্বাত্মক বিকাশৰ বাবে এটা উন্নয়নৰ আৰ্হি প্ৰস্তুত কৰিছে। নদীসমূহৰ পুনৰুজ্জীৱিতকৰণেৰে পৰিৱৰ্শ তন্ত্ৰ উদ্ধাৰ কৰাৰ লগতে এটা সেউজ আন্তঃগাঁথনি সৃষ্টি কৰিছে। নমামি গংগা অভিযান হৈছে - পৃথিৱীৰ সৰ্ববৃহৎ পুনৰুজ্জীৱিতকৰণ আঁচনি। এই আঁচনিৰ জৰিয়তে পানীৰ গুণগত মান উন্নত কৰা, জৈৱ বৈচিত্ৰ

বৃদ্ধি আৰু গংগা পুনৰুজ্জীৱিতকৰণত স্থানীয় লোকৰ অংশগ্ৰহণক অনুপ্ৰেৰণা যোগোৱা হৈছে। স্বচ্ছ ভাৰত অভিযান আৰু গোৱৰ্ধন যোজনাৰ জৰিয়তে অনাময় আৰু পেলনীয়া সামগ্ৰী নিষ্কাশন ব্যৱস্থাপনাত সংস্কাৰ সাধন কৰা হৈছে।

এক পেড় মা কে নাম আঁচনিৰ জৰিয়তে নাগৰিকসকলক পৰিৱেশ সংৰক্ষণৰ সৈতে সক্ৰিয়ভাৱে জড়িত কৰা হৈছে। এই আঁচনিৰ জৰিয়তে দেশত ১৪২ কোটিৰো অধিক গছপুলি ৰোপণ কৰা হৈছে। ভাৰতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰতো যথেষ্ট কাম কৰিছে। চিতা বাঘ, সিংহ আদিৰ দৰে প্ৰাণীৰ সংৰক্ষণ আৰু বাসস্থানৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। ভাৰতত বৰ্তমান ৯১ টা ৰামচাৰ ক্ষেত্ৰ আছে। শেহতীয়াকৈ ৰাজস্থানত দুটাকৈ ৰামচাৰ ক্ষেত্ৰৰ সংযোজন ঘটিছে।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে দেশৰ সীমান্ত অঞ্চলসমূহত পাকিস্তানৰ গোলাবৰ্ষণত ক্ষতিগ্ৰস্ত দুহেজাৰ ৬০ টা বাসগৃহৰ বাবে ২৫ কোটি টকাৰ অতিৰিক্ত পুঁজি মুকলি কৰা হ’ব বুলি ঘোষণা কৰিছে। সিন্দূৰ অভিযানৰ সময়ত জম্মু আৰু কাশ্মীৰৰ সীমান্তৱৰ্তী জিলাসমূহত ক্ষতিগ্ৰস্ত বাসগৃহসমূহৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা ঘোষণাৰ পাছতে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত প্ৰতিটো ঘৰৰ বাবে ২ লাখ টকাকৈ আৰু আংশিকভাৱে ক্ষতিগ্ৰস্ত প্ৰতিটো ঘৰৰ বাবে ১ লাখ টকাকৈ অতিৰিক্ত ক্ষতিপূৰণৰ কথা ঘোষণা কৰিছে বুলি গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে জানিবলৈ দিছে। মন্ত্ৰালয়ে এই সিদ্ধান্ত ক্ষিপ্ৰতাৰে কাৰ্যকৰী হোৱাটো নিশ্চিত কৰিব বুলি জানিবলৈ দিছে। পঞ্জাব সীমান্তৰ ক্ষতিগ্ৰস্ত ঘৰসমূহৰ বাবেও একে ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হ’ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooooooo

ভাৰতৰ শুভাংশু শুক্লাক মহাকাশলৈ কঢ়িয়াই নিব লগা AXIOM-4 অভিযান বেয়া বতৰৰ পৰিপ্ৰেক্ষিতত সাময়িকভাৱে পিছুৱাই দিয়া হৈছে। সামাজিক মাধ্যমত লিখা এটা পোষ্টত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰ’ৰ অধ্যক্ষ ভি নাৰায়ণনে ভাৰতীয় সময় অনুসৰি কাইলৈ সন্ধিয়া চাৰে ৫ বজাত  মহাকাশযানৰ উৎক্ষেপনৰ পৰৱৰ্তী সময় নিৰ্ধাৰণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। এই ঐতিহাসিক অভিযানত ভাৰতৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ, প’লেণ্ড আৰু হাংগেৰীৰ এগৰাকীকৈ মহাকাশচাৰীয়ে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ উৰা মাৰিব। অভিযানকালত ভাৰতৰ শুভাংশু শুক্লাৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ্ পেগি হুইট্‌চন, প’লেণ্ডৰ স্লাউজ উজনান্‌স্কি আৰু হাংগেৰীৰ তিবৰ কাপুৰে ৩১ খন দেশৰ প্ৰায় ৬০ টা বৈজ্ঞানিক অধ্যয়ন সম্পন্ন কৰিব। অভিযানকালত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ ভালেকেইটা গৱেষণা প্ৰকল্পও অন্তৰ্ভুক্ত কৰা হৈছে বুলি সংস্থাই প্ৰকাশ কৰিছে। AXIOM SPACE-এ মুকলি কৰা এটা ভিডিঅ’ বাৰ্তাত ভাৰতীয় মহাকাশচাৰীগৰাকীয়ে এই বিশেষ অভিযানৰ অংশ হ’বলৈ পাই নিজকে অতিশয় ভাগ্যশালী হিচাপে অনুভৱ কৰা বুলি জানিবলৈ দিয়ে।

ooooooooo

নিউআৰ্ক লিবাৰ্টি আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ভাৰতীয় নাগৰিকে বিভিন্ন সমস্যাৰ সন্মুখীন হোৱাৰ বিষয়ে সামাজিক মাধ্যমত লিখা বিভিন্ন পোষ্ট নিউয়ৰ্কত থকা ভাৰতীয় দূতাবাসে চালিজাৰি চাইছে বুলি প্ৰকাশ কৰা হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত দূতাবাসে প্ৰকাশ কৰিছে যে এই সন্দৰ্ভত তেওঁলোকে স্থানীয় কৰ্তৃপক্ষৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। দেশখনত থকা ভাৰতীয় নাগৰিকৰ কল্যাণৰ বাবে দূতাবাস প্ৰতিশ্ৰুতিবদ্ধ বুলি পোষ্টটোত প্ৰকাশ কৰা হৈছে।

ooooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে কৰ্ণাটকৰ উপকূলীয় তথা অভ্যন্তৰীণ অংশ, কেৰালা, মাহে, ওড়িশা, ৰায়ালাছিমা, তামিলনাডু, পুডুচেৰী আৰু কৰাইকালৰ অঞ্চলবিশেষে ধাৰাসাৰ বৰষুণ আৰু ধুমুহাৰ সতৰ্কবাণী জাৰি কৰিছে। পৰৱৰ্তী দুটা দিনত অন্ধ্ৰপ্ৰদেশৰ কিছু উপকূলীয় অঞ্চল, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, ছট্টিশগড়, ঝাৰখণ্ড, মাৰাথৱাৰা, ৰায়ালাচিমা আৰু মধ্য মহাৰাষ্ট্ৰতো একেধৰণৰ পৰিৱেশে বিৰাজ কৰিব পাৰে বুলি বিভাগে জানিবলৈ দিছে।

ইপিনে, অহা চাৰি-পাঁচদিনলৈ বিভাগটোৱে দেশৰ উত্তৰ পশ্চিম প্ৰান্তত গ্ৰীষ্ম প্ৰৱাহৰ সতৰ্কবাণী জাৰি কৰিছে। বিভাগে লগতে পঞ্জাব, হাৰিয়ানা, চণ্ডীগড়, নতুন দিল্লী, উত্তৰ প্ৰদেশ আৰু ৰাজস্থানৰ পূব অংশতো পৰৱৰ্তী দুটা দিনত গ্ৰীষ্ম প্ৰৱাহৰ প্ৰভাৱ

পৰিব পাৰে বুলি সতৰ্কবাণী দিছে।  বিভাগে প্ৰকাশ কৰা অনুসৰি পৰৱৰ্তী দুইৰ পৰা তিনিদিনলৈ মধ্য আৰু পূব ভাৰতত সৰ্বোচ্চ তাপমাত্ৰাৰ বিশেষ পৰিৱৰ্তন দেখা নাযাব।

০০০০০০০০০

ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনীক ICC HALL OF FAME-ত অন্তৰ্ভুক্ত কৰা হৈছে। মহেন্দ্ৰ সিং ধোনীৰ উপৰি অষ্ট্ৰেলিয়াৰ মেথিউ হেডেন, দক্ষিণ আফ্ৰিকাৰ হাছিম আম্‌লা আৰু অন্য চাৰিগৰাকী খেলুৱৈক এইবেলি HALL OF FAME-ত অন্তৰ্ভুক্ত কৰা হৈছে বুলি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে প্ৰকাশ কৰিছে। ভাৰতৰ হৈ খেলা মুঠ ৫৩৮ খন খেলত তাৰকা খেলুৱৈগৰাকীয়ে ১৭ হাজাৰ ২৬৬ ৰান সংগ্ৰহ কৰিছে।

ইপিনে, খেলুৱৈগৰাকীয়ে এই সন্মানৰ বাবে ICC-লৈ আন্তৰিক ধন্যবাদ প্ৰকাশ কৰিছে। ধোনীয়ে কয়, যে সমগ্ৰ বিশ্বৰ ক্ৰিকেট খেলুৱৈসকলৰ অৱদানক প্ৰতিফলিত কৰা এই HALL OF FAME-ত অন্তৰ্ভুক্ত হ'বলৈ পোৱাটো তেওঁৰ বাবে সন্মানৰ বিষয়। এই সন্মান চিৰদিন মনত ৰাখিব বুলি খেলুৱৈগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে মহেন্দ্ৰ সিং ধোনীৰ নেতৃত্বতে ভাৰতে ২০০৭ চনত টী-২০ বিশ্বকাপ, ২০১১ চনত এদিনীয়া বিশ্বকাপ আৰু ২০০১৩ চনত চেম্পিয়ন্‌ছ ট্ৰফী জয় কৰিছিল।

০০০০০০০০০

ভাৰতৰ পুৰুষ দলটো আজি ২০২৭ চনৰ এ এফ চি এছিয়ান কাপৰ বাবে যোগ্যতা নিৰ্ণয়কাৰী প্ৰতিযোগিতাৰ চূড়ান্ত পৰ্যায়ৰ এখন খেলত হংকঙৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন হংকঙৰ কাই টাক ষ্টেডিয়ামত বিয়লি চাৰে ৫ বজাত আৰম্ভ হ'ব। ২০০৯ চনৰ পাছত ১৬ বছৰৰ বিৰতিৰ অন্তত ভাৰতীয় দলটো হংকঙত উপস্থিত হৈছে।

০০০০০০০০০

জাৰ্মানীৰ মিউনিখত আজি চলিত বৰ্ষৰ ISSF বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতা আৰম্ভ হ'ব। মহিলাৰ ১০ মিটাৰৰ এয়াৰ ৰাইফল আৰু পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টল শিতানৰ ফাইনেলেৰে এই প্ৰতিযোগিতা মুকলি হ'ব। এইবেলি ৩ গৰাকী ভাৰতীয় খেলুৱৈয়ে এই প্ৰতিযোগিতাত অভিষেক ঘটাবলৈ সাজু হৈছে। ৩৬ গৰাকী খেলুৱৈৰে সমৃদ্ধ ভাৰতীয় দলটো প্ৰতিযোগিতাত ভাগ লোৱা দেশসমূহৰ ভিতৰত সৰ্ববৃহৎ দল হিচাপে পৰিগণিত হৈছে।  অলিম্পিকৰ পিষ্টল শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰা মনু ভাকেৰ আৰু কিৰণ অংকুশ যাদৱকে ধৰি পুৰুষৰ ৰাইফল শিতানৰ তাৰকা খেলুৱৈ অৰ্জুন বাবুটা আৰু স্বপ্নীল কুশালেও প্ৰতিযোগিতাত দেশক প্ৰতিনিধিত্ব কৰিব। বিশ্বকাপত চাৰিবাৰকৈ পদক অৰ্জন কৰা বৰুণ টোমৰ আৰু বিশ্বকাপত দুবাৰকৈ সোণৰ পদক অৰ্জন কৰা এলাভেনিল ভালাৰিভানৰ লগতে ইন্দৰ সিং সুৰুচি আৰু সৰৱজোৎ সিঙেও প্ৰতিযোগিতাত দেশৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০০০০

২০২৪-২৫ বৰ্ষৰ পুৰুষৰ এফ আই এইচ হকী প্ৰ' লীগ প্ৰতিযোগিতাত নেদাৰলেণ্ডছৰ আমষ্টেলভিনত কালি অনুষ্ঠিত এখন খেলত ভাৰত নেদাৰলেণ্ডছৰ বিৰুদ্ধে ২-৩ গ'লত পৰাস্ত হয়। ৱাগেনাৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতৰ হৈ অভিষেক আৰু যুগৰাজ সিঙে এটাকৈ গ'ল দিয়ে। ইয়াৰ বিপৰীতে প্ৰতিপক্ষ দলৰ থিজেচ ভান ডাম, জেপ হ'ডেমেকাৰ্ছ আৰু জিপ জেনছেনে এটাকৈ গ'ল দিয়ে। ভাৰতে এই পৰ্যন্ত ১০ খন খেলৰ পৰা ১৫ পইণ্ট সংগ্ৰহ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে। নেদাৰলেণ্ডছ পইণ্ট তালিকাৰ প্ৰথম স্থানত থকাৰ বিপৰীতে   সম্প্ৰতি ইংলেণ্ড আৰু বেলজিয়াম ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থানত আছে। পৰৱৰ্তী খেলখনত ভাৰত কাইলৈ আৰ্জেণ্টিনাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

**সমাপ্ত**